# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 12-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ই আজি বিয়লি ফ্ৰান্সৰ ঐতিহাসিক চহৰ মাৰ্চেত প্ৰথম ভাৰতীয় বাণিজ্যিক দূতাবাস যুটীয়াভাৱে মুকলি কৰে।

২। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰত ২০২৯ চনৰ ভিতৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হ'ব বুলি মন্তব্য কৰিছে।

৩। ২০৫০ চনৰ ভিতৰত বিশ্বজনিন শক্তি চাহিদা ক্ষেত্ৰত ভাৰতৰ অংশ দুগুণলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে হৈছে বুলি পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে।

৪। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহাকুম্ভত মাঘি পূৰ্ণিমা উপলক্ষে আজি দুপৰীয়ালৈ এক কোটি ৫৯ লাখৰো অধিক ভক্তই পবিত্ৰ স্নান সম্পন্ন কৰে। *আৰু*

৫। ভাৰতে আহমেদাবাদত অনুষ্ঠিত চলিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ইংলেণ্ডক জয়ৰ বাবে ৩৫৭ ৰাণৰ বিজয় লক্ষ্য বান্ধি দিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ই আজি বিয়লি ফ্ৰান্সৰ ঐতিহাসিক চহৰ মাৰ্চেত প্ৰথম ভাৰতীয় বাণিজ্যিক দূতাবাস যুটীয়াভাৱে মুকলি কৰে। ইয়াৰ পূৰ্বে দুয়োগৰাকী নেতাই চহৰখনৰ প্ৰৱাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰে। তেওঁলোকে লগতে মজাৰগ্যুজ যুদ্ধ সমাধিক্ষেত্ৰত প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত প্ৰাণ আহুতি দিয়া ভাৰতীয় সৈন্যসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। কমলৱেল্থ যুদ্ধ সমাধি আয়োগে তদাৰক কৰা এই সমাধিক্ষেত্ৰত এক হাজাৰ ৭০০ ৰো অধিক সৈনিকৰ সমাধি আছে। এই সৈনিকসকলৰ সেৱাৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে ১৯২৫ চনত প্ৰথমবাৰৰ বাবে এটা ভাৰতীয় স্মাৰক মুকলি কৰা হৈছিল। পেৰিছত উচ্চ পৰ্যায়ৰ এলানি কাৰ্যসূচীৰ সামৰণি মাৰি শ্ৰীমোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি মাক্ৰ' আজি পুৱা মাৰ্ছে চহৰত উপস্থিত হয়। মাৰ্ছেত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে তেওঁলোকক বিপুলভাৱে আদৰণি জনায়।

দুয়োগৰাকী নেতাই ভাৰত আৰু ফ্ৰান্সক সামৰি গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ গোলকীয় উদ্যমৰ অংশ হিচাপে স্থাপন কৰা আন্তৰাষ্ট্ৰীয় তাপনিউক্লিয় পৰীক্ষামূলক ৰিয়েক্টৰ প্ৰকল্পও পৰিদৰ্শন কৰে।

ফ্ৰান্সৰ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোদী আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ আমন্ত্ৰণমৰ্মে দুদিনীয়া ভ্ৰমণসূচীৰে আজি দেশখনলৈ ৰাওনা হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ৰে শেহতীয়া আলোচনাকালত ইউৰোপ, পশ্চিম এছিয়া আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ভূ-ৰাজনৈতিক ঘটনাক্ৰম সম্পৰ্কে মত বিনিময় কৰা বুলি বৈদেশিক

পৰিক্ৰমা সচিব বিক্ৰম মিশ্ৰীয়ে প্ৰকাশ কৰিছে। ফ্ৰান্সৰ মাৰ্চেত আজি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত শ্ৰীমিশ্ৰীয়ে কয়, যে নেতা দুগৰাকীয়ে গোলকীয় আৰু আঞ্চলিক গুৰুত্বৰ বিষয়েও আলোচনা কৰিছে। তেওঁ কয়, যে দুয়োগৰাকী নেতাই ফৰাছি ৰাষ্ট্ৰপতিগৰাকীয়ে বিশেষ বিমানেৰে মাৰ্চে চহৰলৈ যায়। এয়া দুয়োগৰাকী নেতাৰ মাজত গভীৰ ব্যক্তিগত আস্থাৰ প্ৰতীকেই নহয় বৰং তেওঁলোকৰ মাজৰ উল্লেখনীয় বিশ্বাসৰ প্ৰতীক। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি মাক্ৰ'ৰে বিমানখনত বিভিন্ন বিষয় লৈ আলোচনা কৰে। বিদেশ সচিবগৰাকীয়ে কয়, যে দুয়োপক্ষৰ মাজৰ আলোচনাত কৃত্ৰিম বুদ্ধিমত্তাৰ বিষয়টোৱে আগস্থান লাভ কৰে। দুয়োপক্ষই পৰৱৰ্তী বৰ্ষতো ভাৰত ফ্ৰান্স উদ্ভাৱন বৰ্ষ হিচাপে উদ্‌যাপন কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে বুলি উল্লেখ কৰি শ্ৰীমিশ্ৰীয়ে কয়, যে এই বৰ্ষ পালনৰ সময়চোৱাত প্ৰযুক্তি, উদ্ভাৱন আৰু ষ্টাৰ্ট আপত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰত ২০২৯ চনৰ ভিতৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হব বুলি মন্তব্য কৰিছে। শ্ৰীসোণোৱালে আজি আগৰতলাত এখন সংবাদ মেলত ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বৰ্তমানৰ চৰকাৰে গ্ৰহণ কৰা নীতি আৰু কাৰ্যসূচী সমূহে দেশৰ জনসাধাৰণৰ আৰ্থসামাজিক মানৰ উত্তৰণ ঘটাইছে। তেওঁ লগতে কয়, যে সুশাসনে দেশবাসীৰ বাবে মৰ্যদাপূৰ্ণ জীৱন সুনিশ্চিত কৰিছে। এই বাজেটত উল্লেখ কৰা ধৰণেই প্ৰথমবাৰৰ বাবে ব্যৱসায়ৰ মন মেলা দেশৰ অনুসূচীত জাতি-অনুসূচীত জনজাতি সম্প্ৰদায়ৰ মহিলাসকলে দুই কোটি টকালৈকে ঋণ লাভ কৰিব বুলি শ্ৰীসোণোৱালে লগতে কয়। এইবাৰৰ কেন্দ্ৰীয় বাজেটত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ঘোষণা কৰা নতুন কৰ গাঁথনি প্ৰায় ৫ কোটি ৬৫ লাখ মানুহক লাভান্বিত কৰিব আৰু মধ্যবিত্ত নাগৰিকসকলক সৰ্বাধিক পৰিমাণে সকাহ প্ৰদান কৰিব বুলিও শ্ৰীসোণোৱালে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বই উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক সৰ্বাত্মক উন্নতিৰ পথলৈ আগুৱাই নিছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত নামৰূপত ১২ লাখ ৫০ হাজাৰ মেট্ৰিকটন উৎপাদন ক্ষমতা সম্পন্ন ইউৰীয়া প্ৰকল্প স্থাপনৰ ঘোষণা কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীসোণোৱালে এই প্ৰকল্পই নিয়োগ সৃষ্টি কৰাৰ লগতে অঞ্চলটোৰ উপৰি চুবুৰীয়া দেশসমূহকো উপকৃত কৰিব বুলি প্ৰকাশ কৰে।

০০০০

২০৫০ চনৰ ভিতৰত বিশ্বজনিন শক্তি চাহিদা ক্ষেত্ৰত ভাৰতৰ অংশ দুগুণলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে আৰু ইয়াৰ ফলত শক্তি ব্যৱসায়ত ভাৰতৰ কৌশলগত প্ৰভাৱ প্ৰতিপন্ন হৈছে বুলি পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ভাৰত বিশ্ব শক্তি বজাৰৰ কেন্দ্ৰস্বৰূপ আৰু বিশ্বৰ মুঠ জনসংখ্যাৰ ১৭ শতাংশৰে তৃতীয় সৰ্ববৃহৎ তেল ব্যৱহ দিয়াটো জৰুৰী বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। নতুন দিল্লীত চলি থকা ভাৰতীয় শক্তি সপ্তাহ কাৰ্যসূচীৰ অংশ হিচাপে আজি এলানি বৈঠকত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। বৈঠকত সংশ্লিষ্ট পক্ষসমূহে শক্তি সুলভ কৰি তোলাৰ বাবে শক্তি মজুতকৰণ আৰু স্মাৰ্ট গ্ৰীডকে ধৰি আন্তঃগাথনিত বিনিয়োগৰ আৱশ্যকতাৰ বিষয়ে আলোচনা কৰে।

০০০০

Maldives peoples majlis ৰ অধ্যক্ষ আব্দুল ৰহিম আব্দুল্লাৰ নেতৃত্বত অহা মালদ্বীপৰ এটা সংসদীয় প্ৰতিনিধি দলে আজি নতুন দিল্লীত উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰে। বৈঠকত ভাৰত আৰু মালদ্বীপৰ

মাজত বিভিন্ন ক্ষেত্ৰত থকা দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়ে আলোচনা কৰা হয়। দুযোখন ৰাষ্ট্ৰৰ মাজত সংসদীয় বিনিময় তথা জনসাধাৰণৰ মাজৰ যোগাযোগ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়।

০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহাকুম্ভত মাঘি পূৰ্ণিমা উপলক্ষে আজি দুপৰীয়া বাৰ বজালৈ এক কোটি ৫৯ লাখৰো অধিক ভক্তই পবিত্ৰ স্নান সম্পন্ন কৰে। ইয়াকৈ লৈ বৰ্তমানলৈকে প্ৰায় ৪৭ কোটি ৫৫ লাখ ভক্তই পবিত্ৰ স্নান সম্পন্ন কৰিছে। কল্পবাসৰ প্ৰথাৰ সামৰণি প্ৰতীকস্বৰূপ মাঘী পূৰ্ণিমাৰ স্নানৰ বিশেষ গুৰুত্ব আছে। চলিত বৰ্ষত কল্পবাস সম্পূৰ্ণ কৰা দহ লাখৰো অধিক লোকে এই স্নানত ভাগ ল'ব। ধৰ্মীয় বিশ্বাস অনুসৰি ত্ৰিবেণী সংগমৰ পাৰত মাঘি পূৰ্ণিমালৈকে মহাকুম্ভৰ সময়ত কল্পবাস খাতিলে হেজাৰ হেজাৰ বছৰৰ তপস্যাৰ ফল পোৱা যায়। মহাকুম্ভ মেলা বিশ্বৰ সৰ্ববৃহৎ ধৰ্মীয় সমাবেশ। ১৩ জানুৱাৰীত আৰম্ভ হোৱা এই সমাবেশত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভক্তই ভাগ লৈছে।

০০০০

কাইলৈ বিশ্ব অনাতাঁৰ দিৱস। এই উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ সন্ধিয়া ৬ বজাত গুৱাহাটীৰ চানমাৰিত থকা অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত আকাশী লহৰ শীৰ্ষক এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত বিশ্ব অনাতাঁৰ দিৱসৰ এই বছৰৰ প্ৰতিপাদ্য বিষয় "ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন" বিষয়ত বক্তৃতা প্ৰদান কৰিব ড০ অৰনী কুমাৰ ভাগৱতীয়ে। অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰত সেৱাৰত অনুষ্ঠান পৰিৱেশকসকলে গীত, আবৃত্তি, অভিনয়ৰ বিচিত্ৰানুষ্ঠান পৰিৱেশন কৰিব।

নগাঁওৰ মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই ১৩ ফেব্ৰুৱাৰীৰ বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে আজি নগাঁৱত এটা চাইকেল ৰেলীৰ আয়োজন কৰে। শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথে আজি ৰহাত চাইকেলেৰে বিশ্ব ৰেডিঅ' দিৱসৰ প্ৰচাৰ চলায়। বিশ্ব ৰেডিঅ' দিৱসৰ বেনাৰ, পোষ্টাৰ আৰু প্ৰচাৰ পত্ৰ জিলাখনৰ ৰূপহী, নগাঁও, জাজৰি আদি অঞ্চলত যান-বাহন, দোকান-পোহাৰ আদিত লগাই প্ৰচাৰ কাৰ্য চলোৱা হৈছে। উল্লেখ্য যে এইবাৰ প্ৰয়াত শিল্পী দিগেন মহন্ত, বাউলী কবি কমলা নন্দ ভট্টাচাৰ্য আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সোঁৱৰণত অনাতাঁৰ চেট বিতৰণ কৰা হ'ব । কাইলৈ মধ্য
অসম অনাতাঁৰ শ্ৰোতা সংঘৰ উদ্যোগত আৰু ৰূপহী মহাবিদ্যালয়ৰ সহযোগিতাত মহাবিদ্যালয় খনৰ প্ৰেক্ষাগৃহত বিশ্ব অনাতাঁৰ দিৱসৰ দিনযোৰা কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। দিনটোৰ বিশেষ কাৰ্যক্ৰমণিকাৰ ভিতৰত চাইকেল ৰেলী, বৃক্ষ ৰোপণ, ঠিতাতে লিখা ৰচনা প্ৰতিযোগিতা, মুকলি সভা, অন্তৰংগ অনুষ্ঠান আৰু গীত-মাতৰ লগতে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই প্ৰৱৰ্তন কৰা ২০২৫ বৰ্ষৰ "লোকশিল্পী বঁটা বিশিষ্ট লোকশিল্পী শ্ৰীযুত মিলেশ্বৰ ডেকাক আনুষ্ঠানিক ভাৱে প্ৰদান কৰা হব।

অনুষ্ঠানৰ লগত সংগতি ৰাখি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ সোঁৱৰণত ১৫ টা ৰেডিঅ' বিতৰণ কৰা হ'ব। এটা বছৰ সম্পূৰ্ণ কৰা উপলক্ষে শ্ৰোতা সংঘটোৰ কাইলৈ ইয়াৰ দ্বিতীয় বৰ্ষ পূৰ্তি পালন কৰিব। এই উপলক্ষে কলিয়াবৰত চাইকেল ৰেলী আৰু প্ৰচাৰ পত্ৰ বিতৰণ কৰিব প্ৰগতিশীল কৃষক খগেন বৰাই।

০০০০

সমগ্ৰ দেশত আজি সন্ত ৰবীদাসৰ জয়ন্তী পালন কৰা হৈছে। ৰবীদাস চতুৰ্দশ শতিকাৰ এগৰাকী মহান সন্ত আৰু উত্তৰ ভাৰতৰ শক্তি আন্দোলনৰ প্ৰতিষ্ঠাতা আছিল। হিন্দু দীনপঞ্জী অনুসৰি মৰ্ঘ মাহৰ পূৰ্ণিমাৰ দিনা ৰবীদাস জয়ন্তী পালন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাযোগে কৈছে যে ৰবীদাস এগৰাকী মহান সন্ত আছিল আৰু তেওঁ নিজৰ লিখনিৰ মাজেৰে একতা আৰু ভাতৃত্ববোধৰ বাৰ্তা দিছিল।

০০০০

ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ কাৰ্যালয়ে বাংলাদেশৰ পূৰ্বৰ চৰকাৰ, সুৰক্ষা আৰু চোৰাংচোৱা সংস্থাৰ লগতে আৱামী লীগৰ সৈতে সম্পৰ্ক থকা হিংসাত্মক শক্তিসমূহ যোৱা বছৰৰ ছাত্ৰ প্ৰতিবাদৰ সময়ত পৰিকল্পিতভাৱে গুৰুতৰ মানৱাধিকাৰ উলংঘনৰ ঘটনাত জড়িত আছিল বুলি কৈছে। তদুপৰি ৰাষ্ট্ৰসংঘই বাংলাদেশত কোনো ৰাজনৈতিক দলকেই নিষিদ্ধ ঘোষণা নকৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। কিয়নো এনে কৰিলে প্ৰকৃত বহুদলীয় গণতন্ত্ৰ ব্যৱস্থালৈ ঘুৰি যোৱাটো সম্ভৱ হৈ নুঠিব। আজি প্ৰকাশিত এটা প্ৰতিবেদনত, ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগৰ উচ্চায়ুক্ত কাৰ্যালয়ে দেশখনত মুক্ত আৰু প্ৰকৃত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰাপদ আৰু অনুকুল বাতাবৰণ সুনিশ্চিত কৰিবলৈ আহ্বান জনাইছে।

০০০০

ভাৰতে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত চলিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ইংলেণ্ডক জয়ৰ বাবে ৩৫৭ ৰাণৰ বিজয় লক্ষ্য বান্ধি দিছে। প্ৰত্যুত্তৰত ইংলেণ্ডে আমালৈ বাতৰি অহাৰ পৰলৈকে ১৮ অভাৰত ২ টা উইকেট হেৰুৱাই ১২৩ ৰাণ সংগ্ৰহ কৰি খেলি আছে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩৫৬ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ শুভমন গীলে সৰ্বাধিক ১১২ ৰাণৰ অৰদান আগবঢ়ায়। শ্ৰেয়াছ আয়াৰে ৭৮ আৰু বিৰাট কোহলীয়ে ৫২ ৰাণ কৰে। ইংলেণ্ডৰ হৈ আদিল ৰাছিদে ৪ টা উইকেট দখল কৰে। ভাৰতে প্ৰথম দুখন খেলত জয়লাভ কৰি ২-০ ফলাফলেৰে শৃংখলাত ইতিমধ্যে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

০০০০

সমাপ্ত